**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

# HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব।

২। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে আজি চিচিলিৰ ৰাষ্ট্ৰপতি পেট্ৰিক হাৰ্মিনীৰ সৈতে বৈঠকত মিলিত হ'ব।

৩। বিগত ১২ বছৰত ভাৰতে স্বাস্থ্য যতন খণ্ডত উল্লেখনীয় সফলতা লাভ কৰিছে বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে প্ৰকাশ কৰিছে।

৪। ভেনিজুৱেলাৰ বিধবংসী ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ৪৩০লৈ বৃদ্ধি পাইছে।

*আৰু*

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত গ্ৰপ-এলৰ দুখন খেলত ইংলেণ্ডে পানামাক আৰু ক্ৰ'ৱেচিয়াই ঘানাক পৰাস্ত কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৫ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চিচিলিৰ ৰাষ্ট্ৰপতি পেট্ৰিক হাৰ্মিনীৰ সৈতে বৈঠকত মিলিত হ'ব। দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ পৰ্যালোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থ জড়িত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিভিন্ন বিষয় সন্দৰ্ভত মত বিনিময় কৰিব। শ্ৰীমোদীয়ে আজি চিচিলিৰ নেচনেল এছেম্বলিত ভাষণ দিয়াৰ লগতে ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত শ্ৰীমোদীয়ে দেশখনৰ ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচীত ভাৰতীয় প্ৰতিৰক্ষা বাহিনীসমূহৰ এটা প্ৰতিনিধি দলেও অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে চিচিলিৰ ৰাষ্ট্ৰীয় দিৱসৰ সোণালী জয়ন্তী উদযাপন কাৰ্যসূচীত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনিদিনীয়া কাৰ্যসূচীৰে কালি চিচিলিত উপস্থিত হৈছে। শ্ৰীমোদীৰ এই ভ্ৰমণে ভাৰত আৰু চিচিলিৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্ক বৃদ্ধি কৰাত দেশ দুখনৰ প্ৰতিশ্ৰুতিবদ্ধতাক অধিক শক্তিশালী কৰিব।

ooooo

বিগত ১২ বছৰত ভাৰতে স্বাস্থ্য যতন খণ্ডত উল্লেখনীয় সফলতা লাভ কৰিছে আৰু প্ৰতিগৰাকী নাগৰিকৰ বাবে সুলভ, সহজলভ্য আৰু গুণগত স্বাস্থ্য যতন সুনিশ্চিত কৰাৰ লক্ষ্যৰে কাম কৰি আছে বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে প্ৰকাশ কৰিছে। এটা ব্যক্তিগত সংবাদ মাধ্যমৰ চিকিৎসক দিৱস সমাৰোহত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে স্বাস্থ্য যতনৰ ক্ষেত্ৰত দেশে চকুত লগা সফলতা অৰ্জন কৰিছে। তেওঁ কয়, যে বিশ্বৰ সৰ্ববৃহৎ স্বাস্থ্য বীমা কাৰ্যসূচী- আয়ুষ্মান ভাৰত, প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাই দেশৰ প্ৰায় ৬২ কোটি লোকক সামৰি লৈছে আৰু চিকিৎসা লাভৰ ক্ষেত্ৰত বিত্তীয় সুৰক্ষা প্ৰদান কৰিবলৈ সমৰ্থ হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে দেশত বৰ্তমান প্ৰায় ১ লাখ ৮৪ হাজাৰ আয়ুষ্মান আৰোগ্য মন্দিৰ আছে আৰু ইয়াৰ জৰিয়তে তৃণমূল পৰ্যায়ত প্ৰাথমিক স্বাস্থ্য সেৱা অধিক শক্তিশালী হৈছে। তেওঁ কয়, যে মধুমেহ, উচ্চ ৰক্তচাপ আৰু কৰ্কট আদি ৰোগত আক্ৰান্ত ৰোগীৰ সংখ্যা উচ্চহাৰত বৃদ্ধি পাই থকাটো গভীৰ উদ্বেগৰ বিষয় হৈ পৰিছে। অৱশ্যে এই ৰোগসমূহৰ সময়মতে চিনাক্তকৰণ আৰু চিকিৎসা প্ৰদানৰ জৰিয়তে মানসিক আৰু অৰ্থনৈতিক চাপ কিছু পৰিমাণে হ'লেও হ্ৰাস পাইছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

ভেনিজুৱেলাৰ বিধবংসী ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ৪৩০লৈ বৃদ্ধি পাইছে। যোৱা বুধবাৰে ৰিখটাৰ স্কেলত ৭ দশমিক ২ আৰু ৭ দশমিক ৫ প্ৰাবল্যৰ ভূমিকম্পৰ পাছত দক্ষিণ আমেৰিকাৰ দেশখনত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। এতিয়াও প্ৰায় ৬৮ হাজাৰ ৯০০ লোক সন্ধানহীন হৈ থকাৰ বাতৰি পোৱা গৈছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ব্যক্তিগত ট্যুৰ অপাৰেটৰৰ সহায়ত কৈলাশ মানসৰোবৰ যাত্ৰাত যোৱা ভাৰতীয় তীৰ্থযাত্ৰীসকলৰ বাবে বিশেষ পৰামৰ্শাৱলী জাৰি কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা এখন বিজ্ঞপ্তি অনুসৰি চীনৰ পৰা ভিছা আৰু প্ৰয়োজনীয় প্ৰৱেশৰ অনুমতি অবিহনে কৈলাশ মানসৰোবৰ যাত্ৰা লৈ যোৱাৰ সময়ত নেপালত আবদ্ধ হৈ পৰা ভাৰতীয় নাগৰিকসকলৰ পৰা সহায় আৰু সাহায্যৰ বাবে মন্ত্ৰালয়ে ভালেমান অনুৰোধ লাভ কৰিছে। মন্ত্ৰালয়ে কৈছে যে সম্পূৰ্ণ যাত্ৰাৰ বাবে প্ৰয়োজনীয় সকলো ধৰণৰ নথি লাভ নকৰা পৰ্যন্ত ভাৰতৰ পৰা যাত্ৰা আৰম্ভ নকৰিবলৈ সকলো নাগৰিককে নিৰ্দেশ দিয়া হৈছে। ইয়াৰ লগতে ট্যুৰ অপাৰেটৰসকল পঞ্জীয়নভুক্ত আৰু স্বীকৃতিপ্ৰাপ্ত হয় নে নহয় তাক নিশ্চিত কৰিবলৈও তীৰ্থযাত্ৰীসকলক পৰামৰ্শ দিয়া হৈছে। উল্লেখযোগ্য যে কৈলাশ মানসৰোবৰলৈ যোৱা প্ৰায় ৫২ জন ভাৰতীয় নাগৰিক বৰ্তমান নেপালৰ কাঠমাণ্ডুত আবদ্ধ হৈ আছে।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই কাইলৈ নতুন দিল্লীত স্বাস্থ্য খণ্ডৰ এলানি ডিজিটেল ব্যৱস্থা মুকলি কৰিব। ৰাষ্ট্ৰীয় স্বাস্থ্য কৰ্তৃপক্ষ আৰু ৰাষ্ট্ৰীয় সমল কেন্দ্ৰৰ অধীনত বিকশিত এই ডিজিটেল ব্যৱস্থাৰ জৰিয়তে স্বাস্থ্য সেৱাৰ সম্প্ৰসাৰণ আৰু সমগ্ৰ দেশতে স্বাস্থ্যৰ ক্ষেত্ৰত ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি প্ৰৱৰ্তনৰ লক্ষ্য লোৱা হৈছে। শ্ৰীনাড্ডাই কাইলৈ মুকলি কৰিবলগীয়া ব্যৱস্থাসমূহৰ ভিতৰত আছে আৰোগ্য সেতুৰ দ্বিতীয় পৰ্যায়, আয়ুষ্মান সাৰথি চাটব'ট, আয়ুষ্মান এপ, ই-সুশ্ৰুত ক্লিনিক, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযোগ বিনিময় আৰু মানসম্পন্ন স্বাস্থ্য আদি। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ

কৰা অনুসৰি এই নতুন ব্যৱস্থাসমূহে দেশৰ স্বাস্থ্য খণ্ডৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি শক্তিশালী কৰি তুলিব।

ইয়াৰ পিছতে মন্ত্ৰীগৰাকীয়ে নতুন দিল্লীত কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ পৰিষদৰ যোড়শ সমাৰোহত অধ্যক্ষতা কৰিব। এই সমাৰোহত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ স্বাস্থ্য-পৰিয়াল কল্যাণ মন্ত্ৰীসকল, সাংসদসকল, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ জ্যেষ্ঠ বিষয়াবৰ্গই অংশগ্ৰহণ কৰিব।

ooooo

ইউক্ৰেইনে ৰাছিয়াৰ ভ'লগগ্ৰাড চহৰৰ এটা গুৰুত্বপূৰ্ণ উদ্যোগিক প্ৰতিষ্ঠানত আক্ৰমণ চলোৱা বুলি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভল’ডিমিৰ জেলেনস্কিয়ে সদৰী কৰিছে। ইপিনে ৰাছিয়াই চলোৱা ড্ৰোন আক্ৰমণত ইউক্ৰেইনৰ উত্তৰ-পূব ছামি অঞ্চলত এজন লোক নিহত হৈছে।

ৰাষ্ট্ৰপতি জেলেনস্কিয়ে সামাজক মাধ্যমযোগে সদৰী কৰে যে, ইউক্ৰেইনৰ মিছাইল আক্ৰমণত ভ'লগগ্ৰাডৰ টাইটান-বেৰিকাডি প্ৰতিষ্ঠানটোৰ ক্ষতিসাধন হৈছে। এই প্ৰতিষ্ঠানটো বৰহিলৈ আৰু বিশেষ সামৰিক সঁজুলি নিৰ্মাণৰ এটি প্ৰধান কেন্দ্ৰ হিচাপে পৰিচিত। ভ'লগগ্ৰাডৰ স্থানীয় কৰ্তৃপক্ষই জনোৱা অনুসৰি এই আক্ৰমণৰ ফলত দহজন লোক আহত হৈছে ।

ইপিনে ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে দাবী কৰা অনুসৰি, এই আক্ৰমণে ৰাছিয়াৰ প্ৰায় বাৰটা অঞ্চলৰ লগতে অধিকৃত ক্ৰিমিয়া আৰু ইয়াৰ নিকটৱৰ্তী জলভাগক লক্ষ্য কৰি লৈছিল। মন্ত্ৰালয়ৰ দাবী যে তেওঁলোকৰ বায়ু প্ৰতিৰক্ষা প্ৰণালীয়ে ইউক্ৰেইনৰ ৬৬০টা ড্ৰ'ণ আকাশতে প্ৰতিহত কৰিবলৈ সক্ষম হৈছে।

ooooo

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱতি নিশা আমেৰিকাৰ নিউ জাৰ্ছি ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এলৰ এখন খেলত ইংলেণ্ডে পানামাক ২-০ গ’লত পৰাস্ত কৰে। ইংলেণ্ডৰ হৈ জিউদ বেলিংহাম আৰু হেৰি কেনে এটাকৈ গ’ল দিয়ে। এই জয়ৰ সুবাদত দলটো গ্ৰুপ-এলৰ শীৰ্ষত স্থান লাভ কৰিছে। গ্ৰুপ-এলৰ আন এখন খেলত ক্ৰ’ৱেচিয়াই ঘানাক ২-১ গ’লৰ ব্যৱধানত পৰাস্ত কৰে। গ্ৰুপ-এলত ক্ৰ’ৱেচিয়াই দ্বিতীয় আৰু ঘানা তৃতীয় স্থানত আছে।

ooooo

সমাপ্ত